# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-11-2024
**Time :** 1205 hrs

## *Assamese Midday Bulletin*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিশিষ্ট উদ্যোগপতি তথা জনহিতৈষী ৰতন টাটাৰ জীৱনৰ পৰা এই প্ৰেৰণা লাভ কৰিব পাৰি যে সঁচা নেতৃত্ব কেৱল এগৰাকী ব্যক্তিৰ কৃতিত্বৰ জৰিয়তে নহয় বৰঞ্চ সমাজৰ অতি দুৰ্বল শ্ৰেণীৰ প্ৰতি তেওঁৰ সেৱা আগবঢ়োৱাৰ ক্ষমতাৰ জৰিয়তে জোখা হয়। এখন ৰাষ্ট্ৰীয় দৈনিক কাকতৰ এটা লেখাত শ্ৰীমোদীয়ে কয় যে ৰতন টাটাই এই পৃথিৱী এৰি যোৱা এটা মাহ পাৰ হৈ গ'ল, কিন্তু ৰাষ্ট্ৰৰ লগতে সমগ্ৰ বিশ্বতে সমাজৰ প্ৰতিটো ক্ষেত্ৰত তেওঁৰ অনুপস্থিতি অনুভৱ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ৰতন টাটাই যিসকল লোকৰ বাবে কাম কৰিছিল আৰু সপোন দেখিছিল সেই লোকসকলৰ স্মৃতিত সদায় জীয়াই থাকিব। তেওঁ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ ৰতন টাটাৰ অৰিহণাৰ কথাৰ আলোকপাত কৰি দুবছৰ পূৰ্বে অসমত এটা অনুষ্ঠানত দুয়োগৰাকীয়ে যুটীয়াভাৱে কেইবাখনো কেন্সাৰ চিকিৎসালয় উদ্বোধন কৰাৰ কথা সোঁৱৰে।

ooooo

জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে কালি গুৱাহাটীত  ৮ দিনীয়া পূৰ্বোত্তৰ আদি মহোৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰীঅ'ৰামে কয় যে, কেন্দ্ৰীয় চৰকাৰে জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয় যে, জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ক নতুন ৰূপ দিয়া হৈছে আৰু মন্ত্ৰালয়ৰ বাবে বাজেটত আৱণ্টিত ধন বৃদ্ধি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, চলিত বৰ্ষত জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে ৩ লাখ ৫০ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব আৰু জনজাতি বসতি প্ৰধান অঞ্চলত ২৫ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব।  কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা ১৫ নৱেম্বৰত  সমগ্ৰ ৰাষ্ট্ৰত জনজাতি গৌৰৱ দিৱস উদযাপন কৰা হ'ব বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিহাৰৰ জামুইত হ'বলগীয়া এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত  উপস্থিত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে।

পূৰ্বোত্তৰ আদি মহোৎসৱত উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ ১০৪ খন বিপনীয়ে অংশগ্ৰহণ কৰে। জনজাতীয় শিল্প-সংস্কৃতি, খাদ্য আৰু বাণিজ্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয় আৰু ট্ৰাইফেইড এই মহোৎসৱৰ আয়োজন কৰিছে। ১৫ নৱেম্বৰত সামৰণি পৰিবলগীয়া এই মহোৎসৱত ১৩ খন ৰাজ্যৰ কাৰু শিল্পী, ৰান্ধনী আৰু অংশগ্ৰহণকাৰীয়ে তেওঁলোকৰ চহকী সংস্কৃতি প্ৰদৰ্শন কৰিব। কালিৰ উদ্বোধনী অনুষ্ঠানত  কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী দুৰ্গা দাস উইকে আৰু ৰাজ্যৰ শিক্ষা তথা জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগু প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই উপ নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি একাধিক মন্ত্ৰী, সাংসদ আৰু বিধায়কে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিৰ পৰা ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

আনহাতে, বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। চিদলী বিধানসভা সমষ্টিত কালি বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে বঙাইগাঁও সমষ্টিটো শাসক-বিৰোধী উভয় পক্ষৰে প্ৰচাৰ অভিযান অব্যাহত আছে। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ আজি নগাঁৱৰ সাংসদ তথা দলটোৰ জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈয়ে বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলাব। একেদৰে সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰচাৰ চলাব।

ooooo

ৰাজ্য চৰকাৰে গোৰ্খা সম্প্ৰদায়ৰ নেতা তথা স্বাধীনতা যুঁজাৰু বাবু ছাবিলাল উপাধ্যায়ৰ সন্মানাৰ্থে গুৱাহাটীত তেওঁৰ এটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে উপযুক্ত স্থান নিৰ্ণয় কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী পৌৰ উন্নয়ন প্ৰাধিকৰণক নিৰ্দেশ দিছে।

ooooo

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দিৱস উপলক্ষে আজি আৰু কাইলৈ গুৱাহাটীৰ পাঞ্জাবাৰীত থকা কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা কলাক্ষেত্ৰৰ কীৰ্তন ঘৰত নাম প্ৰসংগ আৰু আয়তীসকলৰ দিহা নামেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছত পুৱা চাৰে ১০ বজাত পতাকা উত্তোলন কৰা হয়। আনহাতে, লোকনৃত্য-গীতৰ বৰ্ণাঢ্য অনুষ্ঠান **বৰ্ণালী** শীৰ্ষক এটা বাৰেৰহণীয়া অনুষ্ঠান পৰিবেশন কৰা হয়। সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হ'ব। কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্ৰুপদী নৃত্য সংৰচনা **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দিৱস উপলক্ষে এই দুয়োদিনৰ কাৰ্যসূচীতে উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ নিৰ্বাচিত উদ্যোগীসকললৈ দ্বিতীয় কিস্তিৰ ধন মুকলি কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এই উদ্দেশ্যে ৰাজ্য চৰকাৰে ইতিমধ্যে ৬৬ কোটি টকা মোকলাই দিছে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত যোৱা ২৪ ছেপ্তেম্বৰত ৰাজ্যৰ ২৫ হাজাৰগৰাকীৰো অধিক উদ্যোগীক প্ৰথম কিস্তিৰ ধন হিচাপে ৭৫ হাজাৰ টকাকৈ আদায় দিয়া হৈছিল।

ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ লগতে ঔদ্যোগিকৰণৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি কৰাৰ লক্ষ্যৰে এই আঁচনি গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে এই আঁচনিৰ জৰিয়তে নৱপ্ৰজন্মক আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হ'ব।

ooooo

দক্ষিণ কোৰিয়াৰ ইস্কানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্চ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ চিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ কিৰণ জৰ্জে থাইলেণ্ডৰ কুনলাবুট ৰিটিডছাৰ্নৰ হাতত ১২-২১, ২০-২২ ছেটত পৰাস্ত হয়। ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত কিৰণ জৰ্জে জাপানৰ টাকুমা অ'বায়াছিক ২১-১৪, ২১-১৬ পোনপটীয়া গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছিল।

ooooo

শিৱসাগৰ জিলাৰ বাবুপট্টিৰ নিবাসী বিশিষ্ট শিক্ষাবিদ তথা প্ৰাক্তন অধ্যাপক শুভকৰণ শৰ্মাৰ কালি নিশা নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ। প্ৰয়াত শৰ্মা শিৱসাগৰৰ

প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠান ডি চি এমৰ স্বত্বাধিকাৰী আছিল। তেওঁ শিৱসাগৰ কলেজৰ অবৈতনিকভাৱে কেইবা বছৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক হিচাপেও কৰ্মৰত আছিল। তদুপৰি জীৱন কালত তেওঁ গোড়খপুৰৰ গীতা প্ৰেছৰ হিন্দীত লিখা প্ৰায় ২৫খন গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। সমাজকৰ্মীগৰাকীৰ মৃত্যুত জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

০০০০০

**সমাপ্ত**